জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৬/২০২১

# ডিমা হাছাও জিলাৰ মান্দাৰডিছাত বাঁহ উদ্যোগ উদ্যানৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বৰ হাফলঙত অনাথ শিশুৰ বাবে নিৰ্মাণ কৰা অনাথ আশ্ৰম উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ডিমাছা নায়ক ডিমালিক কেম্প্ৰাই আৰু পদ্মভূষণ ৰাণী গাইডিলুৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে মুখ্যমন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**দিছপুৰ, ২৬ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিমা হাছাও জিলাৰ মান্দাৰডিছাত বাঁহ উদ্যোগ উদ্যানৰ (বেম্ব’ ইণ্ডাষ্ট্ৰীয়েল পাৰ্ক)ৰ আধাৰশিলা স্থাপন কৰে। ড’নাৰ মন্ত্ৰালয়ৰ ৫০ কোটি টকা ব্যয়েৰে এই প্ৰকল্পটো ৰূপায়ণ কৰা হ’ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে অঞ্চলটোৰ অৰ্থনৈতিক দিশত এক যুগান্তকাৰী উত্তৰণৰ সূচনা হ’ব। প্ৰকল্পটোৱে স্থানীয় যুৱক-যুৱতীসকললৈ নিয়োজনৰ বিশেষ সুবিধা প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে এই বৃহত্তৰ এলেকাৰ বাঁহ পূৰ্বতে কেৱল মাত্ৰ কাগজ কললৈহে ৰপ্তানি কৰা হৈছিল। এতিয়া এই উদ্যান নিৰ্মাণৰ কাম সম্পূৰ্ণ হ’লে এই চৌহদতে বাঁহৰ পৰা টাইল্‌চ, ধূপ কাঠী ইত্যাদিৰ লেখীয়া উদ্যোগ গঢ়ি উঠি অঞ্চলটোৰ জনসাধাৰণৰ অৰ্থনৈতিক উত্তৰণৰ দিশত বিশেষভাৱে অৰিহণা যোগাব বুলিও তেওঁ কয়।

আজিৰ এই আধাৰশিলা স্থাপন অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবোলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, হাফলং বিধান সভা সমষ্টিৰ বিধায়ক নন্দিতা গাৰ্লোচা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাণু লাংথাছা, পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদখনৰ কাৰ্যবাহী সদস্য চেমুৰেল চাংচন, দেৱজিৎ বাথৰাই, গামৰোঠাং মাৰ, স্বায়ত্তশাসিত পৰিষদখনৰ সদস্য নোৰা দাইমে, ডিমা হাছাও জিলাৰ উপায়ুক্ত পল বৰুৱা, আৰক্ষী অধীক্ষক জয়ন্ত সিঙৰ লগতে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# প্ৰেছ বাৰ্তা

আনহাতে হাফলঙৰ যাত্ৰা পথত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ডিমাছা নায়ক বীৰ ডিমালিক কেম্প্ৰাইৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে বীৰ গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে ত্ৰয়োদশ শতিকাত পূৰ্বৰ হিড়িম্বাপুৰ (ডিমাপুৰ)ৰ ৰজা মকৰধ্বজ থাওছেনৰ শাসনৰ সময়ত বীৰ ডিমালিক কেম্প্ৰাইয়ে সেনাপতি হিচাপে সাহস আৰু বীৰত্বৰ পৰিচয় দাঙি ধৰি গৈছে।

এই ভ্ৰমণৰ সময়তে মুখ্যমন্ত্ৰীয়ে বৰ হাফলঙত এন এল চি পি আৰ আঁচনিৰ অধীনত নতুনকৈ নিৰ্মাণ কৰা অনাথ শিশুসকলৰ এক আশ্ৰয় গৃহৰ লগতে ষ্টাফ কোৱাৰ্টাৰ আৰু বৃত্তিগত প্ৰশিক্ষণ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগত বৰ হাফলঙত পদ্মভূষণ ৰাণী গাইডালুৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি এই সাহসী স্বাধীনতা যুঁজাৰুগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**২৬/০৭/২০২১**